# প্ৰাচীন অসমৰ তাম্ৰলিপিঃ এক পৰিচয়মূলক অধ্যয়ন (ডুবি, নিধনপুৰ, হায়ুংথল, তেজপুৰ, পৰ্বতীয়া, নগাওঁ আৰু হাওৰাঘাট শাসনৰ বিশেষ উল্লিখনসহ)

**অংকুৰ জ্যোতি তালুকদাৰ**
**সহকাৰী অধ্যাপক**
**অসমীয়া বিভাগ, পাণ্ডু মহাবিদ্যালয়**

১৬ শতিকাৰ কাশীৰ এগৰাকী সংস্কৃত বিদ্বান আছিল বল্লাল মিশ্ৰ। তেওঁ ভোজপ্ৰবন্ধ শীৰ্ষক এখনি মনোৰম সংস্কৃত কাব্য ৰচনা কৰিছিল। এই ভোজপ্ৰবন্ধৰ কাব্যৰে এটা কাহিনী এনেধৰণৰ- এদিন মহাৰাজ ভোজক সাক্ষাৎ কৰিবলৈ এগৰাকী ব্ৰাহ্মণ আহিল। ব্ৰাহ্মণগৰাকীৰ বেশ-ভূষা সাধাৰণ যদিও হাতত এটা চমৰাৰ কমলণ্ডু। সাধাৰণতে মৰা জন্তুৰ ছালৰ অপবিত্ৰ বুলি গণ্য কৰা হয় বাবে আচৰিত হৈ ৰজাই চমৰাৰে নিৰ্মিত কমলণ্ডু লোৱাৰ কাৰণ জানিব বিচাৰিলে। প্ৰত্যুত্তৰত ব্ৰাহ্মণগৰাকীয়ে জনাইছিল যে দেশত লো আৰু তামৰ অভাৱৰ বাবেহে তেওঁ চমৰাৰে কমলণ্ডু সাজিব লগা হৈছে। স্বাভাৱিকভাৱে ভোজৰজাই তেতিয়া দেশত লো আৰু তামৰ অভাৱৰ কাৰণ জানিব বিচাৰিলে। এইবাৰ ব্ৰাহ্মণগৰাকীয়ে ক'লে- অস্য শ্ৰীভোজৰাজস্য দব্যম এৱং সুদূৰলাভম। শত্ৰুনামঃ শৃংখলয়ৰ লোহম্ তামৰামঃ শাসনপত্ৰকায়ঃ।। (অৰ্থাৎ ভোজৰজাৰ শাসনকালত দুটা সামগ্ৰীৰ খুব অভাৱ। শত্ৰুৰ বাবে শিকলি নিৰ্মাণ কৰাৰ বাবে লোৰ আৰু আদেশ বা শাসনসমূহ লিপিবদ্ধ কৰাৰ বাবদ তামৰ অভাৱে দেখা দিছে।)

একাদশ শতিকাৰ ভোজৰজাৰ শাসনকালৰ পটভূমিত ৰচিত কাহিনীটোত ৰজাৰ আদেশ বা শাসনসমূহ তামৰ পাতত লিপিবদ্ধ কৰাৰ কথা কোৱা হৈছে। কিন্তু ই কেৱল একাদশ শতিকা বা কেৱল ভোজৰাজ্যৰ কাহিনী নহয়। ভাৰত উপমহাদেশত অনুশাসন লিপিবদ্ধ কৰাৰ বাবে বহু হাজাৰ বছৰ ধৰি তামৰ ব্যৱহাৰ হৈ আহিছে। খ্ৰীঃপূঃ ২৬০০-১৯০০ শতিকাৰ হাৰাপ্পা সভ্যতাতে বিশেষ চিহ্ন খোদিত তাম্ৰপত্ৰ ব্যৱহাৰ হোৱাৰ প্ৰত্নতাত্ত্বিক সাক্ষ্য পোৱা গৈছে।[১] তাৰ পৰৱৰ্তী সময়ত, মৌৰ্য যুগত অৰ্থাৎ আনুমানিক খ্ৰীঃপূঃ তৃতীয় শতিকাত ৰচিত শাহগৌৰা তাম্ৰলিপিখনৰ কথা ক'ব পাৰি। যদিওবা ব্ৰাহ্মী লিপিৰ অনুশাসনখন বিশুদ্ধ তামৰ সলনি তামমিশ্ৰিত ব্ৰঞ্জতহে খোদিত। প্ৰাচীনত্বৰ দিশৰ পৰা খ্ৰীঃপূঃ প্ৰথম শতিকাৰ তক্ষশীলা আৰু কালাৱান তাম্ৰলিপিৰ নাম ল'ব পাৰি। কিন্তু এই দুখন প্ৰকৃততে পৰৱৰ্তী সময়ত দেখাৰ দৰে অনুশাসন নহয়। তাম্ৰ অনুশাসন বুলিলে খ্ৰীষ্টীয় তৃতীয় শতিকাৰ অন্ধ্ৰৰ ইক্ষবাকু বংশৰ ৰজা ইহুৱালা চামতামোলাৰ দিনৰ পাতাগাণ্ডীগুদেম তাম্ৰ অনুশাসনকে আটাইতকৈ প্ৰাচীন বুলি ক'ব লাগিব। খ্ৰীষ্টীয় চতুৰ্থ শতিকাৰ পল্লৱ ৰাজবংশৰ দিনতো প্ৰাকৃত আৰু সংস্কৃত ভাষাত ৰচিত অনেক তাম্ৰ অনুশাসন খোদিত কৰা হৈছিল। সমসাময়িকভাৱে উত্তৰ ভাৰতত গুপ্ত সাম্ৰাজ্যত সংস্কৃত ভাষাত অনেক তামৰ অনুশাসন জাৰি কৰাৰ প্ৰত্নতাত্ত্বিক সমল পোৱা যায়।

তামৰ ফলিবিশেষক অনুশাসন বুলি কোৱাৰ মূলতে হ'ল ইয়াত খোদিত বিষয়বস্তু। এনে তামৰ ফলিসমূহে ৰজাই ব্ৰাহ্মণ বা মঠ-মন্দিৰ-দেৱালয়ক কৰা ভূমিদান (দেৱোত্তৰ, ব্ৰহ্মোত্তৰ), গো-দান, উপাধি-প্ৰদান, খাজনা-মৰ্জনা কৰিবলৈ দিয়া নিৰ্দেশাৱলী কঢ়িয়ায়। সাধাৰণতে তাম্ৰশাসনবোৰত দানকৰ্তা ৰজাৰ বংশ-পৰিচয়, তেওঁৰ ব্যক্তিগত আৰু ৰাজকীয়, সামৰিক গুণানুকীৰ্তন কৰি তাৰ পাছত দান-কাৰ্যৰ কাৰণ আৰু দান-গ্ৰহিতাৰ পৰিচয় আৰু একেবাৰে শেষত অনুশাসনখন ভংগ কৰিলে কিধৰণৰ শাস্তি প্ৰদান কৰা হ'ব তাৰ বিৱৰণ থাকে।

এনেধৰণৰ অনুশাসনবোৰ সাধাৰণতে হয় শিলত নহয় তামৰ ফলিত লিখা হৈছিল। এনে কৰাৰ মূলতে আছিল স্থায়ীত্ব। তদুপৰি শিলৰ সলনি তামক এনে দানকাৰ্যৰ সৈতে জড়িত অনুশাসনৰ বাবে নিৰ্বাচন কৰাৰ এটা প্ৰধান কাৰণ আছিল শিলতকৈ তামৰ ওজন আৰু আকাৰ কম হোৱা বাবে এইবোৰ দানগ্ৰহিতাক হাতে হাতে দিবলৈ অধিক সুবিধাজনক। জনা যায় যে তাম্ৰ অনুশাসন বিশেষ একাধিক তামৰ ফলিযুক্ত হ'লে ফলিসমূহত বিন্ধা একোটা কৰি তামৰে শলখা এডাল লগাই মোহৰ একোটা মাৰি আটাইবোৰ ফলিকে সামৰি লোৱা হৈছিল। এই তাম্ৰশাসনসমূহ সাধাৰণতে কাঠৰ বাকচ একোটাত ভৰাই কেতিয়াবা দানকৃত ভূমিতে পুতি থোৱা হৈছিল অথবা মঠ-মন্দিৰ দেৱালয়ৰ ভিতৰত ৰখা হৈছিল। সময় যোৱাৰ লগে লগে তামৰ বৰণ সলনি হ'লেও সাধাৰণতে তাম ক্ষয় নহয়। সেয়েহে ভাৰতৰ ভিন্ন প্ৰান্তত ১৫০০-১০০০ বছৰ আগতে ৰচিত অনেক তাম্ৰশাসন অক্ষত অৱস্থাত উদ্ধাৰ হৈছে।

আজিৰ অসম তাহানিৰ কামৰূপ বা প্ৰাগজ্যোতিষপুৰৰ ঐতিহাসিক ক্ৰম আৰম্ভ হয় চতুৰ্থ শতিকাত যেতিয়া পুষ্য বৰ্মনে বৰ্মন বংশ প্ৰতিষ্ঠা কৰে। তাৰ আগৰ সময়ৰ কামৰূপৰ উল্লেখ মহাভাৰত, ৰামায়ন প্ৰমুখ্যে পুৰাণ আদিত পোৱা যায় যদিও সেই উৎসসমূহক প্ৰকৃতাৰ্থত ইতিহাস বুলি ক'ব নোৱাৰি। খ্ৰীষ্টীয় চতুৰ্থ শতিকামানৰ পৰা আৰম্ভ হোৱা বৰ্মন বংশৰ দিনত উত্তৰ ভাৰতৰ গুপ্ত সাম্ৰাজ্যৰ লগত কামৰূপ বা প্ৰাগজ্যোতিষপুৰৰ সুসম্পৰ্ক ৰক্ষিত হৈছিল। এই বৰ্মন বংশীয় ৰজাসকলৰ দিনতে পোনপ্ৰথমবাৰৰ বাবে শৈল-অনুশাসন আৰু তাম্ৰ-অনুশাসন প্ৰচলন কৰাৰ নিদৰ্শন পোৱা গৈছে। তাৰ পৰৱতী সময়ত শালস্তম্ভ বা ম্লেছ ৰাজবংশৰ দিনত আৰু তাৰ পৰৱৰ্তী সময়ৰ পাল ৰাজবংশৰ দিনতো এই অনুশাসন জাৰি কৰাৰ পৰম্পৰা অব্যাহত আছিল। এই তিনিওটা ৰাজবংশক সামৰা আৰু সপ্তম শতিকাৰ পৰা নৱম শতিকাৰ শেষছোৱাত খোদিত কৰা কেইখনমান তাম্ৰ অনুশাসনৰ আলোচনা তলত কৰা হ'ল-

**ভাস্কৰবৰ্মনৰ ডুবি তাম্ৰশাসন**

১৯৫০ চনৰ আশে-পাশে পাঠশালা ৰে'লৱে ষ্টেচনৰ পৰা ৩ মাইল আতৰৰ অসমৰ কামৰূপ জিলাৰ পৰিহৰেশ্বৰ শিৰ দেৱালয়ৰ ওচৰে-পাজৰে মাটি খান্দোতে শ্ৰমিকে ফলিখন উদ্ধাৰ কৰিছিল। উদ্ধাৰৰ সময়ত ৬ খন ফলি একেলগে আছিল যদিও উদ্ধাৰৰ ঠিক পাছতে এখন ফলি ভাঙি যায়। বাকী থকা পাঁচোখন ফলি অসম ৰাজ্যিক সংগ্ৰহালয়লৈ অনা হয়। সেইসময়ৰ সংগ্ৰহালয়ৰ অধ্যক্ষ পি.ডি. চৌধুৰীয়ে ফলিকেইখন অধ্যয়ন কৰি 'কামৰূপ অনুসন্ধান সমিতি'ৰ মুখপত্ৰৰ দুটা সংখ্যাত (একাদশ সংস্কৰণ, ৩-৪ সংখ্যা, পৃ. ৩৩-৩৮ আৰু দ্বাদশ সংস্কৰণ, ১-২ সংখ্যা, পৃ. ১৬-৩৩) ত তাম্ৰশাসনখনৰ বিষয়ে বিস্তৰি আলোচনা কৰিছিল। একেখন তাম্ৰশাসনৰ বিষয়ে ডি.চি. সিৰকাৰে 'এপিগ্ৰাফিয়া ইণ্ডিকা'ত ১৯৫৪ চনৰ জুলাই সংখ্যাত এটা আৰু 'ইণ্ডিয়ান মিউজিয়াম বুলেটিন'ৰ ১৯৬৯ চনৰ জানুৱাৰী সংখ্যাত এটা প্ৰবন্ধ প্ৰকাশ কৰিছিল। পাঁচোখন তাম্ৰফলকৰে আকাৰ ৯.৩ ইঞ্চি X ৪.৬ ইঞ্চি। কিন্তু চাৰিওচুক ক্ষয় হৈ যোৱাৰ বাবে ফলকসমূহ মিহি হৈ থকা নাই। ফলকসমূহ তামৰ আঙুঠি সদৃশ শলখা এডালেৰে সংলগ্ন কৰি মূৰ দুটাত মোহৰ এটা মৰা হৈছে। পাঁচোখন তাম্ৰফলক সামৰি মুঠ ১১৭ শাৰী বাক্য তাম্ৰশাসনখনত আছে।

পি.ডি. চৌধুৰী প্ৰমুখ্যে প্ৰত্নতাত্বিকসকলে আন্তঃসাক্ষ্য আৰু বহিঃসাক্ষ্যলৈ চাই ডুবিত উদ্ধাৰ হোৱা শিলালিপিখন সপ্তম শতিকাৰ বৰ্মন বংশীয় ৰজা কুমাৰ ভাস্কৰ বৰ্মনৰ দিনত খোদিত কৰা বুলি কৈছে। অনুশাসনখনৰ ভাষা সংস্কৃত। অনুশাসনখনৰ শেষৰ ফলকখন হেৰালেও অনুশাসনখন যে ভূমিদানৰ সেই কথা বুজিব পাৰি। ফলকখনৰ আৰম্ভণিৰ কেইবাখিলা পাততো নৰকৰ বংশতে ভগদত্ত আৰু তাৰ পাছত পুষ্যবৰ্মনে জনম লোৱাৰ কথা আছে। ভৌমবংশী পুষ্যবৰ্মনৰ যশ-কীৰিতি বৰ্ণনা কৰি তেওঁৰ পাছত একাদিক্ৰমে কোন কামৰূপৰ ৰাজপাটত বহিছিল তাৰ বৰ্ণনা দি

সুস্থিৰবৰ্মন আৰু তেওঁৰ ভাতৃ ভাস্কৰবৰ্মনৰ সৈতে পৰিচয় কৰাই দিয়া হৈছে। সুস্থিৰবৰ্মনৰ অকাল মৃত্যুৰ পাছত ভাস্কৰবৰ্মনৰ ৰাজপাট দখল, তেওঁৰ দিগ্‌বিজয় যাত্ৰাৰ কথা উল্লিখিত অনুশাসনখনৰ শেষৰ পিনে ভূতিবৰ্মনৰ দিনতে ব্ৰাহ্মণক ভূমিদানৰ বাবে জাৰি কৰা অনুশাসন এখন জহি-খহি যোৱাত সেইখনৰ সলনি ভাস্কৰবৰ্মনে এই বিশেষ তাম্ৰশাসনখন জাৰি কৰাৰ প্ৰসংগ আছে। শেষৰ ফলকখনত দানগ্ৰহিতা ব্ৰাহ্মণসকলৰ পৰিচয় দাঙি ধৰা দেখা যায়। পৰিচয়জ্ঞাপক অংশতে পঞ্চম ফলকখন শেষ হৈছে আৰু তাৰ পাছৰ অংশ জনা নাযায়।

লিপিৰ দিশৰ উত্তৰ ভাৰতৰ গুপ্ত লিপিৰ সৈতে এই লিপিখনৰ যথেষ্ট সাদৃশ্য আছে। মুকুন্দ মাধৱ শৰ্মাই এই লিপিটোক “Eastern Variety of the North Indian alphabet prevalent in the sixth and seventh centuries...” (p.10) বুলি কৈছে। নিধনপুৰ তাম্ৰশাসনৰ লিপিতকৈ এই লিপি কিছু প্ৰাচীন বুলি লিপিকাৰসকলে কৈছে। এই সাক্ষ্যৰ ওপৰত ভিত্তি কৰিও এই তাম্ৰশাসনখন ভাস্কৰবৰ্মনৰ ৰাজত্বকালৰ আৰম্ভণিকালৰ বুলি ক’ব পাৰি।

মূল তাম্ৰশাসনখনৰ লগত সংলগ্ন মোহৰটোতো সংস্কৃত ভাষাত এঘাৰ শাৰী বংশ পৰিচয়মূলক টোকা তুলি ধৰা হৈছে। শাৰীকেইটাৰ ওপৰত আছে এটা হাতীৰ চিত্ৰ।

**ভাস্কৰবৰ্মনৰ নিধানপুৰ তাম্ৰশাসন**

১৯১২ চনৰ কথা। বৰ্তমান বাংলাদেশৰ ছিলেট জিলাৰ একেবাৰে পূব প্ৰান্তৰ পঞ্চাখণ্ডা পৰগণাৰ বিয়েনীবাজাৰ থানাৰ অন্তৰ্গত নিধানপুৰ গাঁৱত খেতি কৰিবলৈ মাটি খান্দোতে মোহৰবদ্ধ তামৰ আঙুঠিৰ সৈতে সাতখন তামৰ ফলি উদ্ধাৰ হৈছিল। উদ্ধাৰকৰ্তা খেতিয়ক শ্বেইখ মশ্বৰফে এই ফলিসমূহ ভিন্নলোকক বিক্ৰী কৰি দিয়ে। প্ৰথম, দ্বিতীয় আৰু সপ্তম ফলিখন এগৰাকী স্থানীয় জমিদাৰ বাবু পবিত্ৰ নাথ দাসে ক্ৰয় কৰে। এই জমিদাৰগৰাকীয়ে শিলচৰৰ ৰায়চাহাব দীননাথ দাসক ফলিকেইখন গতাই দিয়ে আৰু দীননাথ দাসৰ পৰা গুৱাহাটীৰ কটন কলেজৰ পদ্মনাথ ভট্টাচাৰ্য্যই ফলিকেইখন লাভ কৰে। পদ্মনাথ ভট্টাচাৰ্য্যই এই ফলিকেইখনৰ পাঠোদ্ধাৰ কৰি ‘এপিগ্ৰাফিয়া ইণ্ডিকা’ৰ দ্বাদশ সংস্কৰণৰ ১৯ সংখ্যাত আৰু ঊনবিংশ শতিকাৰ ৪০ সংখ্যাত তাম্ৰ অনুশাসনখনৰ বিষয়ে আলোচন লিখিছিল। ১৯১২-১৯২৫ চনৰ ভিতৰত আন তিনিখন ফলক (তৃতীয়, ষষ্ঠ আৰু খুব সম্ভৱ চতুৰ্থ নহ’লে পঞ্চম)ৰ পাঠোদ্ধাৰো বিভিন্ন আলোচনীত প্ৰকাশ পায়। সৰ্বশেষত ‘কামৰূপশাসনাৱলী’ত আটাইকেইখন ফলি সম্পৰ্কত বিস্তৃত আলোচনা কৰা হয়। ইয়াৰে ষষ্ঠ আৰু খুব সম্ভৱ চতুৰ্থ নহ’লে পঞ্চমখন ফলি অসম ৰাজ্যিক সংগ্ৰহালয়ত সংগ্ৰহীত হৈ আছে আৰু প্ৰথম, দ্বিতীয়, তৃতীয় আৰু মোহৰ অংশ বাংলাদেশৰ ছিলেট জিলাৰ জমিদাৰ বাবু পবিত্ৰ নাথ দাসৰ পুতেকৰ হাতত মজুত আছে বুলি জনা যায়।

প্ৰত্যেকখন ফলকৰ দৈৰ্ঘ্য ১১ ইঞ্চি আৰু প্ৰস্থ ৬ ইঞ্চি। প্ৰত্যেকখিলা ফলকৰ বাওঁপিনে একেলগে মোহৰৰ সৈতে গাঠিবলৈ ৩/৪ ইঞ্চিৰ ব্যাসৰ এটা ফুটা আছে। মোহৰটো দীৰ্ঘবৃত্তাকাৰৰ (Elliptical)। মোহৰটোৰ একাংশ ভঙা বা অস্পষ্ট। মোহৰটোৰ ওপৰৰ অংশত হাতীৰ মূৰৰ ছবি এখন আছে। তলৰ অংশত কেইটামান শাৰী আছে যদিও অস্পষ্ট। তাম্ৰফলক প্ৰতিখনতে ১৩-১৪-১৫ টাকৈ শাৰী থকাৰ পৰা গোটেই অনুশাসনখনত ১৪০ টা শাৰী আছে বুলি ক’ব পাৰি। স্বাভাৱিকভাৱে অনুশাসনখনৰ ভাষা সংস্কৃত। অনুশাসনখনৰ প্ৰথম ২৫ টা শ্লোকত নৰকৰ পৰা আৰম্ভ কৰি পুষ্যবৰ্মনকে আদি কৰি বৰ্মন বংশীয় ৰজাসকলৰ উল্লেখ কৰি ভাস্কৰবৰ্মনৰ যশ-কীৰ্তিৰ প্ৰশংসা কৰিছে। তাৰ পাছত ৪০ শাৰীমানৰ পৰা ব্ৰাহ্মণসকলে ভূতিবৰ্মাৰ দিনৰ পৰা ভোগ কৰি অহা নিষ্কৰ মাটিৰ তথ্যসম্বলিত পূৰ্বৰ অনুশাসনসমূহ নোহোৱা হোৱা বাবে ভাস্কৰবৰ্মনে ব্ৰাহ্মণসকলক ভূমিদানৰ বাবে নতুন তাম্ৰশাসন জাৰি কৰাৰ প্ৰসংগ

আছে। তাৰ পাছৰ শাৰীসমূহত কোনটো কাৰ্যৰ বাবে কিমান ভূমি দান কৰা হৈছে তাৰ উল্লেখ আছে। তাৰ পাছতেই আছে দানকৃত ভূমিৰ চাৰিসীমাৰ বিৰৰণ আৰু চাৰিসীমা নিৰ্ধাৰণ কৰা ৰাজ-বিষয়াসকলৰ লগতে তামৰ ফলিসমূহ গঢ়া কমাৰ গৰাকীৰ পৰিচয়। একেবাৰে শেষত অনুশাসন অমান্যকাৰী ব্যক্তিৰ কি পৰিণতি হ'ব পাৰে তাৰ বিৰৰণ দিয়া হৈছে।

ডুবি তাম্ৰশাসনৰ নিচিনাকৈ নিধানপুৰ তাম্ৰশাসনৰো ৰচনাৰ সঠিক সময় তাম্ৰশাসনখনত উল্লেখ নাই। কিন্তু ইতিমধ্যে কৈ অহাৰ দৰে ডুবি তাম্ৰশাসনতকৈ নিধানপুৰ তাম্ৰশাসন অৰ্বাচীন। দুয়োখন তাম্ৰশাসনে কুমাৰ ভাস্কৰবৰ্মনৰ দিনত (৫৯৪-৬৫০ খ্ৰীঃ) জাৰি কৰা হৈছিল যদিও ডুবি তাম্ৰশাসন তেওঁৰ শাসনৰ আদিভাগৰ আৰু নিধানপুৰ তাম্ৰশাসনখন তেওঁৰ শাসনৰ পাছভাগৰ। নিধানপুৰ তাম্ৰশাসনখন কৰ্ণসুবৰ্ণৰ পৰা জাৰি কৰা হৈছিল বুলি তাম্ৰশাসনখনতে উল্লেখ আছে। পদ্মনাথ বিদ্যাবিনোদৰ মতে, ভাস্কৰবৰ্মনে কৰ্ণসুবৰ্ণত বেছিদিনলৈ ৰাজত্ব কৰা নাছিল। কিন্তু ৬০৬ খ্ৰীষ্টাব্দত ভাস্কৰবৰ্মন আৰু হৰ্ষবৰ্দ্ধনে যুটীয়া অভিযান চলাই গৌড়ৰ অধিপতি শংশাকক পৰাস্ত কৰাৰ পাছত বিজয় উদ্‌যাপন কৰিবলৈ কিছুদিন কৰ্ণসুবৰ্ণত আছিল। আৰু খুব সম্ভৱ এই সময়ছোৱাৰ ভিতৰতে দানগ্ৰহিতা (ব্ৰাহ্মণ)সকলে কুমাৰক সাক্ষ্যৎ কৰি তেওঁৰ পূৰ্বপুৰুষ ভূতিবৰ্মনৰ দিনত জাৰি কৰা অনুশাসনখন ক্ষয়প্ৰাপ্ত হোৱাৰ বাবে তাৰ সলনি আন এখন তাম্ৰশাসন আদায় কৰিবলৈ সক্ষম হৈছিল। বিদ্যাবিনোদৰ মতে, গৌড় বিজয়ৰ সুফল হৰ্ষবৰ্দ্ধনেহে অধিক লাভ কৰিছিল আৰু কৰ্ণসুবৰ্ণৰ অধিকাৰীও পৰৱৰ্তী সময়ত হৰ্ষবৰ্দ্ধনে হৈছিল। কিন্তু মুকুন্দ মাধৱ শৰ্মাই উল্লেখ কৰা ধৰণে হৰ্ষচৰিতৰ মন্তব্য কিছু সুকীয়া। হৰ্ষচৰিতৰ মতে, হৰ্ষই যেতিয়া গৌড় সীমান্তৰ পৰা এদিনৰ বাট দূৰৈত কান্যকুব্জত আছিল তেতিয়া ভাস্কৰবৰ্মনে হংসবেগৰ জৰিয়তে বন্ধুত্বৰ প্ৰস্তাৱ আগবঢ়াইছিল। হৰ্ষবদ্ধনেও যেন এই প্ৰস্তাৱৰ অপেক্ষাতহে আছিল। কিন্তু বন্ধুত্ব স্থাপন হোৱাৰ পাছতে হৰ্ষবদ্ধনে ভনীয়েক ৰাজ্যশ্ৰীৰ সন্ধানত দক্ষিণলৈ যাত্ৰা কৰিবলগা হয়। যাৰ বাবে ভাস্কৰবৰ্মনে অকলে গৌড়াধিপতি শংশাকৰ বিৰুদ্ধে যুঁজিবলৈ যাব লগা হয়। হৰ্ষবদ্ধনে এই যুঁজত অংশগ্ৰহণ কৰাৰ কোনো উল্লেখ হৰ্ষচৰিতত নাই। গতিকে পদ্মনাথ বিদ্যাবিনোদে কোৱাধৰণেভাস্কৰবৰ্মন আৰু হৰ্ষবৰ্দ্ধনে যুটীয়া অভিযান চলাই গৌড়ৰ অধিপতি শংশাকক পৰাস্ত কৰাৰ সলনি ভাস্কৰবৰ্মনেহে অকলে গৌড়াধিপতি শংশাকক পৰাস্ত কৰিছিল। সেইবাবে ভাস্কৰবৰ্মনে যুঁজত জয়ী কৰা কৰ্ণসুবৰ্ণ ক্ষেত্ৰ যুঁজত অংশগ্ৰহণ নকৰা হৰ্ষবৰ্দ্ধনক গতাই দিয়াৰ প্ৰশ্নই নাহে। তদুপৰি বিদ্যাবিনোদে কৈছিল যে, কৰ্ণসুবৰ্ণ কেতিয়াও কামৰূপ ৰাজ্যৰ অধীনত নাছিল। কিন্তু ভাস্কৰবৰ্মনৰ দিনকে কামৰূপলৈ অহা চীনা পৰিব্ৰাজক হিউৱেন চাঙে তেওঁৰ টোকাবহীত কৰতোয়া (কা-লো-তো) নদী অতিক্ৰম কৰি কামৰূপ ৰাজ্যত প্ৰৱেশ কৰাৰ কথা কৈছে। অতীতৰ এই কৰতোয়া নদীয়ে বৰ্তমানৰ তিস্তা নদী। ইতিহাসবিদ ডি.চি. গাংগুলীৰ মতে হৰ্ষবৰ্দ্ধনে বংগৰ ওপৰত শাসন কৰাৰ কোনো নিদৰ্শনে পাবলৈ নাই। গাংগুলীৰ মতে কামৰূপ আৰু কৰ্ণসুবৰ্ণৰ মাজত থকা গৌড়ৰ এক বৃহৎ অংশ ভাস্কৰবৰ্মনৰ ৰাজ্যতহে অন্তৰ্ভুক্ত আছিল।

মুকুন্দ মাধৱ শৰ্মাই লগতে কৈছে যে কৰ্ণসুবৰ্ণ নিশ্চিতভাৱে ভাস্কৰবৰ্মনৰ অধীনত অন্তত ৬৪৩ খ্ৰীষ্টাব্দলৈ আছিল। তদুপৰি কৰ্ণসুবৰ্ণ ক্ষেত্ৰ ভূতিবৰ্মনৰ দিনত কামৰূপৰ অধীন আছিল বুলি নিধানপুৰ তাম্ৰশাসনখনৰ আন্ত্যসাক্ষ্যই কয়। ভাস্কৰবৰ্মনৰ দিনত কৰ্ণসুবৰ্ণ তেওঁৰ অধীনস্থ নহৈ হৰ্ষৰ অধীনস্থ হোৱা হ'লে ভাস্কৰবৰ্মনে আনৰ ৰাজ্যৰ মাটি ব্ৰাহ্মণসকলক দান দিব নোৱাৰিলেহেতেন বা নিদিলেহেতেন।

সমালোচকসকল নিশ্চিত যে নিধানপুৰ তাম্ৰশাসনখন ৬৪৩ খ্ৰীষ্টাব্দৰ আগত ৰচিত হৈছিল। কিয়নো সেইসময়ছোৱাৰ পাছত কৰ্ণসুবৰ্ণ ক্ষেত্ৰ ভাস্কৰবৰ্মনে প্ৰত্যক্ষভাৱে শাসন কৰাৰ সলনি স্থানীয় অধিপতিৰ দ্বাৰাহে শাসন কৰাৰ সম্ভাৱনা অধিক কিয়নো হিউৱেন চাঙৰ বৰ্ণনাত কামৰূপতহে ভাস্কৰবৰ্মনৰ বসতিৰ কথা কোৱা হৈছে। ৬১০

খ্ৰীষ্টাব্দত কৰ্ণসুৱৰ্ণৰ পৰা শংশাক আতৰি যোৱা আৰু তাৰ পাছতে ভাস্কৰবৰ্মন কৰ্ণসুৱৰ্ণৰ অধিপতি হোৱালৈ চাই নিধানপুৰ তাম্ৰশাসনখন ৬১০-৬৪৩ খ্ৰীষ্টাব্দৰ ভিতৰত ৰচিত হৈছিল বুলি মুকুন্দ মাধৱ শৰ্মাই কৈছে। লগতে শৰ্মাই কৈছে যে কৰ্ণসুৱৰ্ণ ভাস্কৰবৰ্মনৰ অধীনলৈ অহাৰ লগে লগে ব্ৰাহ্মণসকলে তেওঁক পূৰ্বসূৰী ভূতিবৰ্মাৰ দিনৰ ভূমিদানৰ কথা সোঁৱৰাই দিছিল বুলি ভাবিব পাৰি যদিও আনুমানিক ৬২০ খ্ৰীষ্টাব্দৰ আশে-পাশেহে তাম্ৰ-শাসনখন ৰচনা হোৱাৰ সম্ভাৱনা অধিক। কিয়নো তাম্ৰশাসনখনৰে ৩৪-৪৮ শাৰীসমূহত কৰ্ণসুৱৰ্ণৰ সুসংগঠিত প্ৰশাসনিক ব্যৱস্থাৰ কথা কোৱা হৈছে। ৰাজ্য জয়ৰ ঠিক পাছতে পৰিৱৰ্তন হোৱা প্ৰশাসনিক ব্যৱস্থা সুস্থিৰ আৰু সুসংগঠিত হ'বলৈ নিশ্চিতভাৱে এটা দশকৰ প্ৰয়োজন বুলি ভাবিব পাৰি।

নিধানপুৰ তাম্ৰশাসনখনৰ দ্বাৰা ভাস্কৰবৰ্মনে ৪০ টা ভিন্ন গোত্ৰৰ প্ৰায় ২০০ গৰাকী ব্ৰাহ্মণক চন্দ্ৰপুৰী 'বিষয়া'ৰ অন্তৰ্গত ভূমি দান কৰিছিল। 'বিষয়া' হ'ল একপ্ৰকাৰৰ জিলা। সাধাৰণতে 'ভুক্তি' (প্ৰদেশ)একোখনৰ ভিতৰত কেইবাখনো 'মণ্ডল' (সংমণ্ডল) থাকে আৰু একোখন 'মণ্ডল'ৰ ভিতৰত কেইবাখনো 'বিষয়া' থাকে। নিধানপুৰ তাম্ৰশাসনখনত 'বিষয়া' খনৰ পৰিচয় দিয়া হৈছে যদিও 'মণ্ডল' আৰু 'ভুক্তি'ৰ উল্লেখ নাই। যাৰ বাবে নিৰ্দিষ্টকৈ কোনখিনি ভূমি দান কৰা হৈছিল স্পষ্টকৈ জনা নাযায়।

## হৰ্জৰবৰ্মনৰ হায়ুংথাল তাম্ৰশাসন

পূৰ্বৰ নগাঁও জিলাৰ অন্তৰ্গত বৰ্তমানৰ কাৰ্বি আংল জিলাৰ হায়ুংথল নামৰ ঠাইত পূজা কৰাৰ বাবে এগৰাকী কাৰ্বি ব্যক্তিয়ে ঠাই মোকলাই থাকোতে পুৰণি ইটাৰ গাঠনিৰ ভিতৰত এডাল শলখাৰে বন্ধা তিনিখন তামৰ ফলি উদ্ধাৰ কৰে। এই তিনিখন ফলিৰ ভিতৰত এখন এই অনামী ব্যক্তিগৰাকীয়ে নিজে ৰাখে আৰু বাকী থকা দুখন ফলি আন দুগৰাকী ব্যক্তিক প্ৰদান কৰে। ইয়াৰে এগৰাকী ব্যক্তি আছিল সেইসময়ৰ নগাঁৰৰ লংকাৰ। ইয়াতেই ফলিখন বাবু মণিকাৰণ বৰ্মন নামৰ এগৰাকী বিদ্বান লোকৰ হাতলৈ আহে। পৰৱৰ্তী সময়ত ফলকখন শিলচৰৰ নৰ্মাল বিদ্যালয়ৰ অধীক্ষক বাবু জগন্নাথ দে ৰ হাতলৈ যায়। অৱশেষত ১৯৩২ চনত পদ্মনাথ বিদ্যাবিনোদে ফলকখনৰ সংস্পৰ্শ লাভ কৰে। পদ্মনাথ বিদ্যাবিনোদেই ফলকখনৰ পাঠোদ্ধাৰ কৰে আৰু *আসাম ৰিচাৰ্জ চোচাইটিৰ* আলোচনীৰ প্ৰথম সংখ্যাতে (পৃ. ১০৯) প্ৰকাশ কৰে। পৰৱৰ্তী সময়ত বিদ্যাবিনোদে *শাসনাৱলী* তো ফলকখনৰ আলোচনা আগবঢ়ায়।

ইতিমধ্যে কোৱা হৈছে যে উদ্ধাৰকৃত তিনিখন ফলক তিনিগৰাকী ভিন্ন লোকৰ হাতত পৰিছিল। ইয়াৰে এখনহে পদ্মনাথ বিদ্যাবিনোদৰ হাতত পৰিছিল। এইখন আছিল দ্বিতীয়খন বা মধ্যৱৰ্তী ফলক। এই মধ্যৱৰ্তী ফলকখন আছিল এখন ৰাজকীয় জাননী। কিন্তু প্ৰথম আৰু অন্তিম ফলকখনৰ অনুপস্থিতিৰ বাবে ৰাজকীয় জাননীখন কিহৰ বাবে জাৰি কৰা হৈছিল স্পষ্ট নহ'ল। মধ্যৱৰ্তী ফলকখনৰ দৈৰ্ঘ্য ৮ ইঞ্চি আৰু প্ৰস্থ ৫ ইঞ্চি। ফলকখনত সৰ্বমুঠ ২৮ টা শাৰী আছে। কিন্তু ফলকখন যথেষ্ট ক্ষয়প্ৰাপ্ত হোৱাৰ বাবে ফলকখনৰ বহু ঠাইত আখৰবোৰ স্পষ্ট নহয়।

স্বাভাৱিকতে আলোচিত পূৰ্বৱৰ্তী তাম্ৰশাসনকেইখনৰ দৰে এইখন তাম্ৰশাসনৰ ভাষাও সংস্কৃত। কিন্তু এইখন ফলকৰ সংস্কৃত ভাষা ডুবি বা নিধানপুৰ তাম্ৰশাসনতকৈ কিছু ভ্ৰষ্ট আৰু ব্যাকৰণগত হীন-ডেঢ়ি বা ভুলেৰে পৰিপূৰ্ণ। লিপিৰ দিশৰ পৰা হায়ুংথাল তাম্ৰশাসনখনে নৱম শতিকাৰ উত্তৰ ভাৰতৰ লিপিৰ পূৰ্বী শাখাৰ লিপিক প্ৰতিনিধিত্ব কৰে।

উদ্ধাৰকৃত ফলকত ভগদত্ত প্ৰমুখ্যে কামৰূপৰ প্ৰাচীন নৃপতিসকলৰ গৌৰৱগাথা গাই প্ৰাগজ্যোতিষপুৰত ম্লেছাধিপতিয়ে ৰাজত্ব কৰাৰ কথা কৈছে। এই ৰাজবংশৰে কেইবাগৰাকীয়ো ৰজা (পালক, কুমাৰ, বজ্ৰদেৱ)ৰ উল্লেখ